**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

দ্বিতীয় এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ কালি সামৰণি পৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এডভাণ্টেজ আছামৰ প্ৰদৰ্শনী আজিৰেপৰা পৰহিলৈকে সাধাৰণ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হৈছে। এই বিনিয়োগ সন্মিলনত সৰ্বমুঠ চাৰে ৪ লাখ কোটি টকাতকৈ অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰা বুলি সন্মিলনৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। ইয়াৰে আঢ়ৈ লাখ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় ২৭০ খন বুজাবুজিৰ চুক্তি ইতিমধ্যে স্বাক্ষৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাত অসমৰ চাহ উদ্যোগৰ বিকাশৰ বাবে অভিলাষী আঁচনি গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে। বিনিয়োগ সন্মিলনখনে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰকো উন্নতিৰ বাটেৰে আগুৱাই নিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এইবাৰৰ বাজেটত ঘোষণা কৰা ৫০টা নতুন পৰ্যটন স্থান আৰু ১০টা ঔদ্যোগিক হাবৰ ক্ষেত্ৰত অসমে অগ্ৰাধিকাৰ পাব বুলি শ্ৰীগোৱেলে বিনিয়োগ সন্মিলনখনৰ সামৰণি অনুষ্ঠানত ঘোষণা কৰে।

দ্বিতীয় এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনত ৰাজ্যখনৰ ৩৫ খন জিলাত মুঠ ৫ হাজাৰ ৮৫১ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়।

০০০০০০০০

অচিৰেই অসমত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰালয়ৰ উদ্যোগত ৮০ হাজাৰ কোটি টকাৰ পথ, দলং, ব্ৰহ্মপুত্ৰৰ বুকুত সুৰংগ পথ ইত্যাদি নিৰ্মাণৰ কাম হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ঘোষণা কৰে। স্পেইনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বিনিয়োগ সন্মিলনখনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জুলাইৰ পূৰ্বে নুমলীগড়-গহপুৰ সংযোগী ব্ৰহ্মপুত্ৰ সুৰংগ পথৰ নিৰ্মাণ আৰম্ভ হ'ব বুলি অৱগত কৰে। ইয়াৰ লগতে শব্দ প্ৰতিৰোধী সামগ্ৰীৰ ব্যৱহাৰেৰে ৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে কাজিৰঙাৰ এলিভেটেড কৰিডৰৰ নিৰ্মাণৰ কামো শীঘ্ৰেই আৰম্ভ কৰা হ'ব বুলি শ্ৰীগাডকাৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

চুবুৰীয়া ৰাজ্য মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাৰি হোৱাৰ পাছতে কেইবাটাও উগ্ৰপন্থী সংগঠনে নিৰাপত্তা বাহিনীৰ ওচৰত অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই সাতদিনৰ ভিতৰত উগ্ৰপন্থী সংগঠন তথা নাগৰিকক মজুত থকা অস্ত্ৰ-শস্ত্ৰ আৰক্ষী প্ৰশাসনক গতাই দিবলৈ নিৰ্দেশ দিয়াৰ পাছতে কালি অস্ত্ৰ-শস্ত্ৰসহ ৮৭ জন লোকে আত্মসমৰ্পণ কৰে। কালি ৰাজ্যখনৰ আটাইকেইখন জিলাতে বৃহৎ সংখ্যক অস্ত্ৰ-শস্ত্ৰ প্ৰশাসনক সমৰ্পণ কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত বিজেপি নেতৃত্বই মুখ্যমন্ত্ৰী পদৰ নতুন প্ৰাৰ্থী নিৰ্বাচন কৰিব নোৱাৰাৰ বাবে যোৱা ১৩ ফেব্ৰুৱাৰীত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছিল। ইয়াৰ পাছতে ৰাজ্যপাল শ্ৰী ভাল্লাই অস্ত্ৰ-শস্ত্ৰ জমা দিবলৈ সময়সীমা নিৰ্ধাৰণ কৰি দিছিল। এই সময়সীমাৰ ভিতৰত অস্ত্ৰ-সম্বৰণ কৰিলে কোনোধৰণৰ গোচৰ ৰুজু কৰা নহয় বুলিও তেওঁ উল্লেখ কৰিছিল।

ৰাজ্যপালগৰাকীয়ে এই সময়ছোৱাত অস্ত্ৰ সম্বৰণ নকৰিলে সাদিনৰ পাছত নিৰাপত্তা বাহিনীয়ে অস্ত্ৰৰ সন্ধানত অভিযান চলাব বুলিও সকিয়নী দিছিল।

০০০০০০০

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অংশ হিচাপে ধেমাজি আৰক্ষীয়ে কালি তেলীজানত অভিযান চলাই প্ৰায় ১ কুইণ্টল ভাংসহ ৪ জন লোকক আটক কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে লোককেইজনে ওদালগুৰিৰ পৰা ভাংখিনি ধেমাজিৰ তেলীজানত বিক্ৰীৰ বাবে লৈ গৈছিল। আটক কৰা লোককেইজন কৌশিক নাথ, ৰঞ্জিত দৈমাৰী, বীৰবল বসুমতাৰী আৰু জিতেন্দ্ৰ হৰিজন বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ সহযোগত আজি হাটশিঙিমাৰীৰ এটা ব্যক্তিগত শিক্ষানুষ্ঠানত নিচামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাস, হাটশিঙিমাৰী জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ ছামচুল হক, খাৰুৱাবান্ধা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গীতাৰ্থ চৌধুৰীসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক নিচাযুক্ত সামগ্ৰী সেৱনৰ ফলত হ'ব পৰা সমস্যা সন্দৰ্ভত অৱগত কৰে আৰু তেওঁলোকক এনে কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ সজাগ কৰি দিয়ে।

০০০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনৰ তিনিওটা কৃষি চক্ৰৰ অন্তৰ্গত ৰাজহ গাঁওসমূহৰ নিৰ্ধাৰিত স্থানত এটাকৈ কৃষক পঞ্জীয়ন শিবিৰৰ আয়োজন কৰা হ'ব। জিলা কৃষি বিভাগে জিলাখনৰ সকলো কৃষকলৈ এই শিবিৰত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে। কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা লাভ কৰিবলৈ প্ৰতিগৰাকী কৃষকক এই কৃষক পঞ্জীয়ন কাৰ্যসূচীৰ অধীনত পঞ্জীকৃত হোৱাটো বাঞ্চনীয় বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। শিবিৰলৈ আহোতে কৃষকসকলক জমাবন্দী আৰু আধাৰ কাৰ্ডৰ দৰে প্ৰয়োজনীয় নথি-পত্ৰ আৰু আধাৰ সংলগ্ন মোবাইল ফোন লৈ আহিবলৈ অনুৰোধ কৰা হৈছে।

০০০০০০০

সমাপ্ত